**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কমনৱেল্থৰ অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াসকলৰ ২৮ সংখ্যক সন্মিলন উদ্বোধন কৰিব।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি মাস্কাটৰ ছুল্টান কাবুছ বন্দৰত ভাৰতীয় নৌসেনাৰ জাহাজ কৌন্দিন্যৰ নাবিকৰ দলটোক আদৰণি জনায়।

৩। জয়পুৰত আজি ৭৮ সংখ্যক সেনা দিৱসৰ পেৰেড অনুষ্ঠিত হ'ব।

৪। জাপানৰ বিদেশ মন্ত্ৰী ট'শ্বিমিটশু ম'টেগি তিনিদিনীয়া ভাৰত ভ্ৰমণসূচী লৈ কাইলৈ নতুন দিল্লীত উপস্থিত হ'ব।

*আৰু*

৫। ভাৰতৰ বিৰুদ্ধে অনুষ্ঠিত এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ৭ উইকেটত জয়লাভ কৰি নিউজিলেণ্ডে সমতা স্থাপন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কমনৱেল্থৰ অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াসকলৰ ২৮ সংখ্যক সন্মিলন উদ্বোধন কৰিব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই সন্মিলনত সভাপতিত্ব কৰিব। ৪২ খন কমনৱেল্থ দেশ আৰু ৪ খন অৰ্ধ স্বায়ত্তশাসিত সংসদৰ ৬১ গৰাকী অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াই এই সন্মিলনত অংশগ্ৰহণ কৰিব।

সন্মিলনত শক্তিশালী গণতান্ত্ৰিক ব্যৱস্থা বৰ্তাই ৰখাৰ ক্ষেত্ৰত অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াসকলৰ ভূমিকাকে ধৰি সমসাময়িক বিস্তৃত সংসদীয় বিষয়সমূহৰ ওপৰত বিশদ আলোচনা অনুষ্ঠিত কৰা হ'ব। সংসদৰ কাম-কাজত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, সংসদৰ সদস্যসকলৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ, সংসদৰ বিষয়ে জনসাধাৰণৰ বুজাবুজি বৃদ্ধিৰ উদ্ভাৱনী কৌশল আৰু ভোটদানৰ বাহিৰেও নাগৰিকৰ অংশগ্ৰহণকে ধৰি অন্যান্য বিষয়সমূহো এই সন্মিলনত আলোচনা কৰা হ'ব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি মাস্কাটৰ ছুল্টান কাবুছ বন্দৰত ভাৰতীয় নৌসেনাৰ জাহাজ কৌন্দিন্যৰ নাবিকৰ দলটোক আদৰণি জনায়। তেওঁ এই আগমনক কেৱল এক যাত্ৰাৰ উৎসৱ নহয় বৰঞ্চ এক গভীৰ সভ্যতাৰ উদযাপন বুলি অভিহিত কৰে। বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী শ্ৰীসোণোৱালে কয়, যে পৰম্পৰাগতভাৱে নিৰ্মিত এই জাহাজখন ওমানৰ ৰাজধানীত উপস্থিত হোৱাটো ঐতিহাসিক তথা বাণিজ্যিক সম্পৰ্ক আৰু পাৰস্পৰিক সন্মানেৰে শক্তিশালী কৰা ভাৰত-ওমানৰ মাজৰ চিৰস্থায়ী বন্ধুত্বৰ প্ৰতীক। পোৰবন্দৰৰ পৰা প্ৰথম যাত্ৰা সম্পূৰ্ণ কৰাৰ পাছত আই এন এছ ভি কৌন্দিন্য মাস্কাটত উপস্থিত হয়, যিয়ে দুখন দেশৰ সামুদ্ৰিক ঐতিহ্যৰ এক উল্লেখযোগ্য মুহূৰ্ত চিহ্নিত কৰিছে। এই যাত্ৰাই ৫ হাজাৰ বছৰতকৈও অধিক সময় ধৰি চলি থকা সামুদ্ৰিক, সাংস্কৃতিক তথা সভ্যতামূলক সংযোগৰ

ওপৰত আলোকপাত কৰিছে। ভাৰত আৰু ওমানৰ কূটনৈতিক সম্পৰ্কৰ ৭০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়তে এই যাত্ৰাই বিশেষ ভূমিকা পালন কৰিছে।

কিম্বদন্তি ভাৰতীয় নাবিক কৌন্দিন্যৰ নামেৰে নামকৰণ কৰা এই জাহাজত ভাৰতৰ থলুৱা সামুদ্ৰিক জ্ঞান, কাৰুকাৰ্য আৰু বহনক্ষম জাহাজ নিৰ্মাণ পদ্ধতি প্ৰদৰ্শন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিকল্পনা কৰা এই প্ৰকল্পটোক স্থপতিবিদ, পুৰাতত্ববিদ, পৰম্পৰাগত জাহাজ নিৰ্মাণৰ আৰ্হি আৰু জাহাজ নিৰ্মাতাসকলৰ সহযোগত ভাৰতীয় নৌসেনাৰ দ্বাৰা কাৰ্যকৰী কৰা হৈছে।

শ্ৰীসোণোৱালে এই জাহাজখনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বৰ এক উজ্বল নিদৰ্শন বুলি অভিহিত কৰি ভাৰতীয় প্ৰাচীন জাহাজ নিৰ্মাণ প্ৰতিভাক পুনৰুজ্জীৱিত কৰাটো তেওঁৰ সংকল্প বুলি প্ৰকাশ কৰে। এই উপলক্ষে বন্দৰত আয়োজিত অনুষ্ঠানত ওমানৰ ঐতিহ্য আৰু পৰ্যটন মন্ত্ৰালয়ৰ উপ-সচিব অজ্জ্যান অল বুজাইডিৰ লগতে ভাৰতীয় নৌসেনা, ওমানৰ ৰ'য়েল নেভী, ৰ'য়েল ওমান উপকুল আৰক্ষী বাহিনীসহ অন্যান্য বিশিষ্টসকল উপস্থিত থাকে। ওমানৰ ভাৰতীয় সম্প্ৰদায় তথা ছাত্ৰ-ছাত্ৰীৰ এটা দলে ভাৰত আৰু ওমানৰ সাংস্কৃতিক প্ৰদৰ্শনেৰে জাহাজখনক আদৰণি জনায়।

০০০০০

জয়পুৰত আজি ৭৮ সংখ্যক সেনা দিৱসৰ পেৰেড অনুষ্ঠিত হ'ব। জগতপুৰাৰ মহল ৰোডত হাজাৰ হাজাৰ দৰ্শকৰ সন্মুখত সেনাই নিজৰ অনুশাসন, শক্তি আৰু আধুনিক সামৰিক ক্ষমতাৰ প্ৰদৰ্শন কৰিব। পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই পেৰেড অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা আৰু সেনাপ্ৰধান, জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীয়ে অংশগ্ৰহণ কৰিব। পেৰেডৰ চূড়ান্ত প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু অনুষ্ঠানটোৰ বাবে কঠোৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। এইবাৰৰ সেনা দিৱস উদযাপনে বিশেষ তাৎপৰ্য বহন কৰিছে কাৰণ প্ৰথমবাৰৰ বাবে শিবিৰ এলেকাৰ বাহিৰত সেনা দিৱসৰ পেৰেড অনুষ্ঠিত হ'ব আৰু যাৰ ফলত ভাৰতৰ সামৰিক ঐতিহ্য তথা কাৰ্যকৰী উৎকৰ্ষতা পোনপটীয়াকৈ জনসাধাৰণৰ মাজলৈ আহিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচী লৈ পাঞ্জাব আৰু ৰাজস্থানলৈ যাব। শ্ৰীমতী মুৰ্মুৱে আজি অমৃতসৰৰ গুৰুনানক দেৱ বিশ্ববিদ্যালয়ৰ ৫০ সংখ্যক বাৰ্ষিক সমাৱৰ্তনত অংশগ্ৰহণ কৰিব। কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে জলন্ধৰৰ ড০ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ ২১ সংখ্যক সমাৱৰ্তন সমাৰোহ অনুষ্ঠানত ভাগ ল'ব। সেইদিনাই শ্ৰীমতী মুৰ্মুৱে জয়পুৰত ৰামানন্দ মিছনে আয়োজন কৰা ১০০৮ কুন্দিয়া হনুমান মহাযজ্ঞত অংশগ্ৰহণ কৰিব।

০০০০০

জাপানৰ বিদেশ মন্ত্ৰী ট'শ্বিমিটশ্বু ম'টেগি তিনিদিনীয়া ভাৰত ভ্ৰমণসূচী লৈ কাইলৈ নতুন দিল্লীত উপস্থিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য অনুসৰি শুকুৰবাৰে তেওঁ হায়দৰাবাদ হাউছত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰিব। শনিবাৰে তেওঁ ৰাজঘাটলৈ গৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব আৰু পাছত দিল্লী মেট্ৰ' পৰিদৰ্শন কৰিব।

চলিত বৰ্ষৰ আৰম্ভণিতে দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত জি-২০ নেতা সন্মিলনৰ সময়ত জোহান্সবাৰ্গত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী শ্বানাই টাকাইচি বৈঠকত মিলিত হৈছিল। দুয়োগৰাকী

নেতাই পাৰস্পৰিক সদ্দিচ্ছা তথা মুক্ত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি দায়বদ্ধতাৰ ওপৰত ভিত্তি কৰি গঠিত ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্বৰ গুৰুত্ব পুনৰ দৃঢ় কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ইৰানৰ বিদেশ মন্ত্ৰী ছৈয়দ আবাছ্ আৰ্ঘচিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে তেওঁলোকে ইৰান আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ বিৱৰ্তনশীল পৰিস্থিতিসমূহৰ বিষয়ে আলোচনা কৰে।

ooooo

ডেৰিল মিটছেলৰ ১৩১ ৰানৰ ইনিংছৰ সহায়ত সহজ জয়েৰে নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে এদিনীয়া শৃংখলাত সমতা স্থাপন কৰিছে। ৰাজকোটত যোৱানিশা অনুষ্ঠিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত আলহী দলটো ৭ উইকেটত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট ২৮৪ ৰান কৰিছিল। কে এল ৰাহুলে সৰ্বাধিক ১১২ ৰান কৰি আউট নোহোৱাকৈ থাকে। অধিনায়ক শুভমন গিলে ৫৬ ৰান কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ৪৭ অভাৰ আৰু ৩টা বলত ডেৰিল মিটছেলৰ শতকীয় ইনিংছৰ লগতে উইল ইয়ঙৰ ৮৭ ৰানৰ সহায়ত তিনিটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। মিটছেলক প্লেয়াৰ অৱ দা মেচ নিৰ্বাচিত কৰা হয়। শৃংখলাৰ চূড়ান্ত খেলখন অহা ১৮ তাৰিখে ইন্দোৰত অনুষ্ঠিত হ'ব।

ooooo

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত যোৱা নিশা দেলহী কেপিটেলছে ইউ পি ৱাৰিয়াৰ্জক ৭ উইকেটত পৰাজিত কৰে। নবী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিং কৰিবলা নামি ৱাৰিয়াৰ্জে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই ১৫৪ ৰান সংগ্ৰহ কৰে। অধিনায়ক মেগ লেনিঙে সৰ্বাধিক ৫৪ আৰু হাৰলিন দেউলে ৪৭ ৰান কৰে। প্ৰত্যুত্তৰত দেলহীয়ে মাত্ৰ ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। লিজেল লীয়ে সৰ্বাধিক ৬৭ আৰু শেফালী বাৰ্মাই ৩৬ ৰান কৰে।

প্ৰতিযোগিতাত আজি ইউ পি ৱাৰিয়াৰ্জ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত